**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-02-2026
**Time :** 18-00 Hrs

## ASSAMESE EVEN BULLETIN

:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। শিৱসাগৰ-ঢকুৱাখনা আৰু মৰিগাঁও-দৰঙৰ মাজত ব্ৰহ্মপুত্ৰৰ ওপৰত নতুন দলং নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে পৰিকল্পনা কৰা বুলি বিধানসভাত মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত শোণিতপুৰ, বিশ্বনাথ আৰু দৰং জিলাৰ মুঠ ৬ হাজাৰ ৫৬১ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ।

৩। ৰাজীৱ ভৱনত বিজেপি নেতৃত্বাধীন অসম চৰকাৰৰ বিৰুদ্ধে প্ৰিয়ংকা গান্ধীৰ **জনতাৰ অভিযোগনামা** শীৰ্ষক পুস্তিকা মুকলি। ***আৰু***

৪। দুদিনীয়া ভ্ৰমণসূচীৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ কাইলৈ অসম আগমন।

oooooo

অসম দেশৰ ভিতৰতে সবাতোকৈ দ্ৰুত বিকাশশীল অৰ্থব্যৱস্থা ৰূপে পৰিগণিত হোৱা বুলি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৱেশনৰ আজি অন্তিম দিনা ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কীয় বিতৰ্কৰ উত্তৰ দি ডং শৰ্মাই কয়, যে ৫ বছৰত অসমৰ অৰ্থ ব্যৱস্থাৰ বিকাশৰ হাৰ ৪৫ শতাংশ হৈছে। তেওঁ লগতে ২০২৮ চনৰ ভিতৰত অসম ১০ লাখ কোটি টকাৰ অৰ্থনীতিত উপনীত হ'ব বুলি আশা প্ৰকাশ কৰে। ষষ্ঠদশ বিত্ত আয়োগৰ পৰামৰ্শ অনুযায়ী অসমে ২০২৭-২৮ বিত্তীয় বৰ্ষত কৰ হস্তান্তৰৰ অংশ হিচাপে বছৰি ৫০ হাজাৰ কোটি টকা লাভ কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এই ধনৰাশিয়ে ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ ১২ মাহে দৰমহা আৰু পেঞ্চন প্ৰদান কৰা হ'ব। তেওঁ কয় যে ৭০ বছৰত প্ৰথমবাৰলৈ সম্ভৱ হ'বলগীয়া এই পৰিঘটনাৰ পৰা অসম যে এতিয়া দেশৰ বোজা নহয়, সম্পদহে সেয়া স্পষ্ট হৈ পৰিছে।

বাইট ঃ মুখ্যমন্ত্ৰী

মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে ২০২৪-২৫ বিত্তীয় বৰ্ষত অসমৰ জনমুৰি আয় ৮৩ শতাংশ বৃদ্ধি পাইছে। একেদৰে ২০২৪-২৫ বিত্তীয় বৰ্ষলৈ অসমে ৩০ হাজাৰ ৫২ কোটি টকা নিজস্ব কৰ সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সদনত জানিবলৈ দিয়ে। তেওঁ কয় যে অহা ৫ বছৰত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অভিযানৰ অধীনত ১০ লাখ যুৱক-যুৱতীক এক লাখ টকাকৈ অৰ্থসাহায্য প্ৰদান কৰা হ'ব। শিৱসাগৰ-ঢকুৱাখনা আৰু মৰিগাঁও-দৰঙৰ মাজত ব্ৰহ্মপুত্ৰৰ ওপৰত দুখন নতুন দলং নিৰ্মাণৰ বাবে পৰিকল্পনা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে গুৱাহাটী মহানগৰীৰ পাহাৰত বসবাস কৰা লোকসকলৰ লগতে চাহ শ্ৰমিকসকলৰ অহা মাৰ্চত প্ৰথম পষেকৰ ভিতৰত ভূমিপট্টা প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব বুলি ডং শৰ্মাই

ঘোষণা কৰে।  ড০ শৰ্মাই কয় যে বিজেপি চৰকাৰ পুনৰ ক্ষমতালৈ আহিলে প্ৰথম তিনিবছৰত অকল শিক্ষা বিভাগত ৫০ হাজাৰতকৈ অধিক চাকৰি প্ৰদান কৰা হ'ব।

তেওঁ কয়, যে ১০ দিনৰ ভিতৰত ১৫০ মেগাৱাট উৎপাদনক্ষম কপিলী জলবিদ্যুৎ প্ৰকল্প মুকলি হ'ব।

সদনত আজি বিৰোধী কংগ্ৰেছ আৰু ৰাইজৰ দলে ন্যায়াধীশ বিপ্লৱ শৰ্মা আয়োগৰ ৬ জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত দাখিল কৰা পৰামৰ্শাৱলী কাৰ্যকৰীকৰণ সন্দৰ্ভত জানিব বিচাৰি প্ৰশ্ন উত্থাপন কৰে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আয়োগৰ পৰামৰ্শ অনুসৰিয়েই চৰকাৰে বহুখিনি কাম কৰিছে আৰু আগলৈকো বাকী থকা কামখিনি কৰিব বুলি সদনক জনায়। এই ক্ষেত্ৰত ড০ শৰ্মাই বিৰোধীৰ সহযোগিতা কামনা কৰে। লগতে মুখ্যমন্ত্ৰীয়ে সদনৰ অন্তিম দিনা আজিহে কিয় বিষয়টো বিৰোধীয়ে উত্থাপন কৰিলে বুলি প্ৰশ্ন কৰে। কংগ্ৰেছ আৰু ৰাইজৰ দলৰ বিধায়কসকলে মুখ্যমন্ত্ৰী ড০ শৰ্মাই পোনপটীয়া উত্তৰ দিয়াৰ পৰা বিৰত থকা বুলি অভিযোগ তুলি সদন কক্ষ ত্যাগ কৰে।

অধিবেশনৰ আজি অন্তিম দিনা বিত্তমন্ত্ৰী অজন্তা নেওগে লেখানুদান সম্পৰ্কীয় বিতৰ্কৰো উত্তৰ দিয়ে। ইয়াৰ পাছতে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে সকলো মন্ত্ৰী বিধায়কক কৃতজ্ঞতা জনাই সদনৰ কাম-কাজ অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে। অধ্যক্ষ দৈমাৰীয়ে তেওঁ সামৰণি ভাষণত যোৱা ৫ বছৰত বিধানসভাত ৩০৭ খন বিধেয়ক গৃহীত হোৱা বুলি প্ৰকাশ কৰে।

০০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি শোণিতপুৰ, বিশ্বনাথ আৰু দৰং জিলাৰ মুঠ ৬ হাজাৰ ৫৬১ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হয়। এই উপলক্ষে তেজপুৰৰ গড়দৌল কুমাৰগাঁৱত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি উদ্যোগীসকলৰ মাজত আঁচনিৰ ধনৰাশি বিতৰণ কৰে। সভাত উপস্থিত উদ্যোগীসকলক উদ্দেশ্যি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে যিসকল উদ্যোগীয়ে এই আঁচনিৰ অধীনত প্ৰথম পৰ্যায়ত এক লাখ টকা লাভ কৰি ইয়াৰ সঠিক ব্যৱহাৰ কৰিছে তেওঁলোকে অতি সোনকালে দ্বিতীয় কিস্তিৰ এক লাখ টকাও লাভ কৰিব। প্ৰথম কিস্তিৰ ধন চৰকাৰক ঘূৰাই দিব নালাগে যদিও দ্বিতীয় কিস্তিৰ ধন ৫ বছৰৰ ভিতৰত চৰকাৰক ঘূৰাই দিব লাগিব বুলি তেওঁ কয়। অৱশ্যে ইয়াৰ বাবে হিতাধিকাৰীয়ে কোনো সুত দিব নালাগে বুলি তেওঁ প্ৰকাশ কৰে। এই আঁচনিৰ জৰিয়তে এগৰাকী ব্যক্তি সফল উদ্যোগী হোৱাটো সম্ভৱ বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়।

**বাইট (চি এম)**

আনহাতে, এই আঁচনিৰ অধীনত কাইলৈ কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাৰ মুঠ ৭ হাজাৰ ২৭৩ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে শিলচৰৰ ৰামনগৰৰ আই এছ বি টিত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তদুপৰি উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান আদি বিভাগৰ মন্ত্ৰী বিমল বৰা, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বৰাক উপত্যকা উন্নয়ন আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায় আৰু পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালেও এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০০০০

দুদিনীয়া কাৰ্যসূচীৰে কংগ্ৰেছ নেত্ৰী তথা নিখিল ভাৰত কংগ্ৰেছৰ নিৰীক্ষণ কমিটীৰ অধ্যক্ষা প্ৰিয়ংকা গান্ধী আজি গুৱাহাটীত উপস্থিত হৈছে। পুৱা কংগ্ৰেছ নেত্ৰীগৰাকীক বৰঝাৰ বিমান বন্দৰত দলীয় নেতা-কৰ্মীসকলে আদৰণি জনায়। সাংসদ গান্ধীয়ে বৰঝাৰ বিমান বন্দৰৰ পৰা পোনে পোনে কামাখ্যা মন্দিৰলৈ যায় আৰু দেৱীৰ আশীষ গ্ৰহণ কৰে। ইয়াৰ পাছত তেওঁ ৰাজীৱ ভৱনলৈ আহি দলৰ বিভিন্ন পৰ্যায়ৰ বিষয়ববীয়াৰ সৈতে আলোচনাত মিলিত হয়। কংগ্ৰেছ নেত্ৰীগৰাকীয়ে ৰাজীৱ ভৱনৰ মানবেন্দ্ৰ শৰ্মা কমপ্লেক্সত দলৰ এখন সভাত অংশগ্ৰহণ কৰে। এই সভাতে অসম প্ৰদেশ কংগ্ৰেছৰ তত্বাৱধায়ক জীতেন্দ্ৰ সিং, নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ কেন্দ্ৰীয় পৰ্যবেক্ষক তথা কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰ, চত্তিশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ ৱাঘেলৰ উপস্থিতিত প্ৰিয়ংকা গান্ধীয়ে বিজেপি নেতৃত্বাধীন অসম চৰকাৰৰ বিৰুদ্ধে **জনতাৰ অভিযোগনামা** শীৰ্ষক পুস্তিকা মুকলি কৰে। পুস্তিকাখন ৩৫ খন জিলা ভ্ৰমণ কৰি জনসাধাৰণৰ মতামত লৈ প্ৰকাশ কৰা হৈছে বুলি প্ৰদেশ কংগ্ৰেছৰ ইস্তাহাৰ কমিটীৰ সভাপতি তথা সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে প্ৰকাশ কৰিছে। পুস্তিকাখনত ৰাজ্য চৰকাৰৰ বিৰুদ্ধে ২০টা অভিযোগ সন্নিবিষ্ট কৰা হৈছে।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ দুদিনীয়া অসম ভ্ৰমণসূচীৰে কাইলৈ শিলচৰত উপস্থিত হ'ব। শ্ৰীশ্বাহে কাইলৈ দিনৰ চাৰে ১০ বজাত তেওঁ কাছাৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী কাটিগড়াৰ নাটানপুৰ গাঁও পৰিদৰ্শন কৰিব। তেওঁ অবৈধ প্ৰব্ৰজন আৰু সীমান্তৰে চলা অপৰাধ নিয়ন্ত্ৰণৰ বাবে সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ অগ্ৰগতি আৰু সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনা কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে শিলচৰৰ পৰা ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায়ো আনুষ্ঠানিকভাৱে মুকলি কৰিব। কেন্দ্ৰীয় চৰকাৰৰ পুঁজিৰে ৰূপায়ণ কৰা এই উদ্যমৰ জৰিয়তে সীমামূৰীয়া গাঁওসমূহক অত্যাধুনিক পথ, দূৰসংযোগ আৰু বহনক্ষম কৰ্মসংস্থাপন সুযোগেৰে আত্মনিৰ্ভৰ কেন্দ্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। পৰহিলৈ তেওঁ গুৱাহাটীৰ সৰুসজাইত চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। কেন্দ্ৰীয় বাহিনীটোৱে এইবাৰ প্ৰথমবাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত প্ৰতিষ্ঠা দিৱসৰ ৰাষ্ট্ৰীয় কুচ-কাৱাজৰ আয়োজন কৰিছে। শ্ৰীশ্বাহে লগতে সোণাপুৰৰ কচুতলীত দশম অসম আৰক্ষী বেটেলিয়নৰ নতুন ছাউনীৰ আধাৰশিলা স্থাপন কৰিব। গৃহমন্ত্ৰীগৰাকীৰ সোণাপুৰ ভ্ৰমণৰ পূৰ্বে কালি নিশা ১২ বজাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মন্ত্ৰী পীযূষ হাজৰিকাক লগত লৈ কচুতলীৰ অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। গৃহমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণকালত বিজেপিৰ নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনা হোৱাৰ সম্ভাৱনা আছে।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলে নিৰ্বাচনকেন্দ্ৰিক আলোচনা অব্যাহত ৰাখিছে। ৰাজনৈতিক দলসমূহৰ শীৰ্ষ নেতৃত্বৰ ৰাজ্যখনলৈ আগমনে তৎপৰতা বৃদ্ধি কৰিছে। দুদিনীয়া কাৰ্যসূচীৰে অসমলৈ অহা বিজেপিৰ নৱ-নিৰ্বাচিত ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে কালি দলীয় কৰ্মীসকলৰ মনোবল বৃদ্ধি কৰাৰ উদ্দেশ্যে ডিব্ৰুগড়ত ৰাজ্যিক বিজেপিয়ে আয়োজন কৰা পৃষ্ঠাপ্ৰমুখ সন্মিলনত ভাগ লোৱাৰ পাছত আজি তেওঁ জিলাখনত কেইবাটাও দলীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰে। পুৱা মনোহাৰী চাহ বাগিচাৰ সেউজীয়া পৰিবেশত কিছুসময় অতিবাহিত কৰাৰ পাছত তেওঁ মনোহাৰী চাহ বাগিচা প্ৰাথমিক বিদ্যালয় বুথ কেন্দ্ৰত অনুষ্ঠিত এখন বুথ পৰ্যায়ৰ সভাত অংশগ্ৰহণ কৰে। এই সভাত দলৰ ৰাজ্যিক সভাপতি দিলীপ

শইকীয়া, কেন্দ্রীয় মন্ত্রী সৰ্বানন্দ সোণোৱালৰ লগতে দলৰ শীৰ্ষ নেতাসকলে অংশগ্ৰহণ কৰে। ইয়াৰ পাছত তেওঁ তিনিচুকীয়ালৈ ৰাওনা হয়। তিনিচুকীয়াত তেওঁ দলীয় কেইবাখনো সভাত অংশগ্ৰহণ কৰে।

আনহাতে ভাৰতীয় জনতা পাৰ্টিৰ জ্যেষ্ঠ নেত্ৰী তথা মহিলা মৰ্চাৰ ৰাষ্ট্ৰীয় উপ-সভানেত্ৰী দৰ্শনা সিঙৰ উপস্থিতিত আজি দলৰ যোৰহাট জিলাৰ কাৰ্যালয়ত মহিলা কৰ্মকৰ্তাসকলৰ মাজত এখন আলোচনা অনুষ্ঠিত হয়। এই অনুষ্ঠানত জিলাখনৰ ভালেসংখ্যক মহিলা বিজেপি কৰ্মীয়ে অংশগ্ৰহণ কৰে। এই সভাৰ পাছত শ্ৰীসিঙে হোলোঙাপাৰৰ লাচিত বৰফুকনৰ মৈদামস্থলীত উপস্থিত বীৰগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

oooooo

ঃঃ সমাপ্ত ঃঃ